**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-05-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::::

১। অপাৰেছন সিন্দুৰৰ অধীনত প্ৰতিফলিত ভাৰতৰ সন্ত্ৰাসবিৰোধী যুজখনৰ বিষয়ে নিৰ্বাচিত কিছুসংখ্যক দেশক জনাবৰ বাবে সৰ্বদলীয় প্ৰতিনিধিৰ ৭ টা দল সোনকালেই বিদেশলৈ ৰাওনা হ'ব। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুয়ে এই কথা প্ৰকাশ কৰিছে।

২। হায়দৰাবাদৰ ছাৰমিনাৰৰ সমীপৰ গুলজাৰ হাউছৰ এটা আৱাসিক ভৱনত আজি পুৱা জুই লগাৰ ফলত কমেও ১৭ জন লোকৰ মৃত্যু হয়।

৩। বিদেশ বাণিজ্য সঞ্চালকালয়ে বাংলাদেশৰ পৰা ভাৰতলৈ একাংশ সামগ্ৰীৰ আমদানিৰ ক্ষেত্ৰত ততালিকে কাৰ্যকৰী হোৱাকৈ নতুন নিষেধাজ্ঞা আৰোপ কৰাৰ কথা ঘোষণা কৰিছে।

৪। ভাৰত আজি ১৯ বছৰ অনুৰ্ধ ছাফ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। *আৰু*

৫। আই পি এল টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব।

০০০০

কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুয়ে কয়, যে অপাৰেছন সিন্দুৰৰ অধীনত প্ৰতিফলিত ভাৰতৰ সন্ত্ৰাসবিৰোধী যুজখনৰ বিষয়ে নিৰ্বাচিত কিছুসংখ্যক দেশক জনাবৰ বাবে সৰ্বদলীয় প্ৰতিনিধিৰ ৭ টা দল সোনকালেই বিদেশলৈ ৰাওনা হ'ব। সামাজিক মাধ্যমত শ্ৰীৰিজিজুৱে এই সৰ্বদলীয় প্ৰতিনিধি দলত অন্তৰ্ভুক্ত সাংসদ আৰু অনান্যসকলৰ তালিকাও প্ৰকাশ কৰে।

বিজেপিৰ সাংসদ বৈজয়ন্ত পাণ্ডাই নেতৃত্ব দিবলগীয়া প্ৰথমটো দলে চৌদি আৰব, বাহৰেইন, কোৱেইট আৰু আলজেৰিয়া ভ্ৰমণ কৰিব। এইটো গোটত বৰ্ষিয়ান ৰাজনৈতিক গুলাম নবী আজাদ, বিজেপিৰ সাংসদ নিশিকান্ত ডুবে আৰু এই আই এম আই এমৰ সাংসদ আছাদুদ্দিন অৱেইছিকো অন্তৰ্ভুক্ত কৰা হৈছে।

ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ইউৰোপীয়ান ইউনিয়ন, ইটালী আৰু ডেনমাৰ্ক ভ্ৰমণলৈ যাবলগীয়া দ্বিতীয়টো দলক বিজেপিৰ সাংসদ ৰবিশংকৰ প্ৰসাদে নেতৃত্ব দিব। ইয়াত কংগ্ৰেছ সাংসদ ড০ অমৰ সিং, শিৱসেনা উদ্ধৱ গোটৰ সাংসদ প্ৰিয়ংকা চতুৰ্বেদী আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী এম জে আকবৰ অন্তৰ্ভুক্ত হৈছে।

জে দি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝাৰ নেতৃত্বত তৃতীয়টো দল ইন্দোনেছিয়া, মালয়েছিয়া, দক্ষিণ কোৰিয়া, জাপান আৰু ছিংগাপুৰলৈ যাব। অন্যান্য সকলৰ লগতে এই গোটত আছে তৃণমূল কংগ্ৰেছৰ ইউছুফ পাথান, চিপি আই এমৰ জন ব্ৰিটাছ আৰু কংগ্ৰেছ নেতা ছলমান খুৰছিদ।

চতুৰ্থটো গোটত শিৱসেনাৰ সাংসদ শ্ৰীকান্ত একনাথ সিন্দেই নেতৃত্ব দিব আৰু এইটো গোটে সংযুক্ত আৰব আমিৰশ্বাহী, লাইবেৰিয়া, কংগো, ছিয়েৰা লিয়ন ভ্ৰমণ কৰিব। বিজেপিৰ বাঁসুৰি স্বৰাজ, বিজেডিৰ সস্মিত পাত্ৰ, আই

ইউ এম এলৰ সাংসদ, ই টি মহম্মদ  বছিৰ আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী এছ এছ আহলুৱালিয়াক এই গোটত অন্তৰ্ভুক্ত কৰা হৈছে।

কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বৰ পঞ্চমটো গোটত জে এম এমৰ সাংসদ ছাৰফৰাজ আহমদ, এল জে পিৰ সাংসদ সম্ভৱী, টিডিপিৰ সাংসদ জি এম হৰিশ বালাযোগী আৰু শিৱসেনাৰ সাংসদ মুৰলী দেওৰাক অন্তৰ্ভুক্ত কৰা হৈছে। এইটো গোটে আমেৰিকা যুক্তৰাষ্ট্ৰ, পানামা, গায়ানা, ব্ৰাজিল, আৰু কলম্বিয়া ভ্ৰমণ কৰিব।

ষষ্ঠটো গোটক ডি এম কেৰ সাংসদ কানিমোঝি কৰুণানিধিয়ে নেতৃত্ব দিব। নেচনেল কনফাৰেন্সৰ সাংসদ মিয়ান আলতাফ আহমেদ, সমাজবাদী পাৰ্টীৰ সাংসদ ৰাজীৱ ৰায় আৰু আৰ জে দিৰ সাংসদ প্ৰেমচান্দ গুপ্তাও অন্তৰ্ভুক্ত এই গোটে স্পেইন, গ্ৰীছ, শ্ল'ভেনিয়া,  লাটভিয়া আৰু ৰাছিয়া ভ্ৰমণ কৰিব।

সপ্তম তথা অন্তিম গোটটোৰ নেতৃত্ব এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলেক দিয়া হৈছে। এই গোটত আছে বিজেপিৰ ৰাজীৱ প্ৰতাপ ৰুডি, বিজেপিৰ অনুৰাগ সিং ঠাকুৰ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ভি মুৰলীধৰণ আৰু কংগ্ৰেছ সাংসদ মনিশ তিৱাৰী। এইটো গোট ইজিপ্ত, কাটাৰ, ইথিওপিয়া আৰু দক্ষিণ আফ্ৰিকালৈ যাব।

০০০০

হায়দৰাবাদৰ ছাৰমিনাৰৰ সমীপৰ গুলজাৰ হাউছৰ এটা আৱাসিক ভৱনত আজি পুৱা জুই লগাৰ ফলত কমেও ১৭ জন লোকৰ মৃত্যু হয় আৰু বহুকেইজন আহত হয়। মৃত্যু হোৱা সকলৰ ভিতৰত ৭ বছৰ বয়সৰ তলৰ ৮ টি শিশু আৰু ছগৰাকী মহিলা আছে। আহত সকলক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ভূমি মহলাত লগা জুইয়ে নিমিষতে সমগ্ৰ ভৱনটো আগুৰি পেলায়।

জুই লগাৰ খবৰ পোৱাৰ পাছতে ঘটনাস্থলীত এঘাৰ খন জুই নুমোৱা গাড়ী আৰু এটা ৰবটক জুই নিৰ্বাপনৰ কামত ব্যৱহাৰ কৰা হয়। অগ্নি নিৰ্বাপক বাহিনীৰ লোকে আৱাসিক ভৱনটোৰ পৰা ১৭ গৰাকী লোকক উদ্ধাৰ কৰে। স্থানীয় আৰক্ষীৰ সূত্ৰই জনোৱা অনুসৰি জুই লগাৰ কাৰণ এতিয়াও স্পষ্টকৈ জানিব পৰা হোৱা নাই আৰু তদন্ত চলি আছে।

কেন্দ্ৰীয় কয়লা খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে ঘটনাস্থলী পৰিদৰ্শন কৰে আৰু ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সকলো ধৰণৰ সাহায্যৰ আশ্বাস দিয়ে। তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীয়ে আহত লোকসকলৰ চিকিৎসাৰ সু ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট বিষয়াবৰ্গক নিৰ্দেশ দিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হায়দৰাবাদৰ অগ্নিকাণ্ডত মৃত্যু হোৱা সকলৰ প্ৰতি গভীৰ শোক ব্যক্ত কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে এই ঘটনাত মৃত্যু হোৱাসকলৰ নিকট আত্মীয়ক প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ এককালীন সাহায্য দিয়া হব। আহতসকলকো ৫০ হাজাৰ টকাকৈ সাহায্য দিয়াৰ কথা প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে। শ্ৰী মোদীয়ে আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

০০০০

বিদেশ বাণিজ্য সঞ্চালকালয়ে বাংলাদেশৰ পৰা ভাৰতলৈ  একাংশ সামগ্ৰীৰ আমদানিৰ ক্ষেত্ৰত ততালিকে কাৰ্যকৰী হোৱাকৈ নতুন নিষেধাজ্ঞা আৰোপ কৰাৰ কথা ঘোষণা কৰিছে। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে এখন অধিসূচনা যোগে বাংলাদেশৰ পৰা ভাৰত হৈ নেপাল আৰু ভূটানলৈ প্ৰেৰণ কৰা সামগ্ৰীৰ ক্ষেত্ৰত এই

নিযেধাজ্ঞা প্ৰযোজ্য নহ'ব বুলি স্পষ্ট কৰি দিছে। নতুন নিষেধাজ্ঞা অনুসৰি বাংলাদেশৰ পৰা কোনো ধৰণৰ ৰেডিমেড বস্ত্ৰৰ আমদানিত ভাৰতীয় ভূ-বন্দৰৰ মাধ্যমেৰে কৰিব পৰা নাযাব। অৱশ্যে ন্হাৱা শ্বেৱা আৰু কলকাতাৰ সামুদ্ৰিক বন্দৰেৰে এই সামগ্ৰীসমূহ আমদানি কৰিব পৰা যাব।

তদুপৰি ফলমূল, ফলৰ সোৱাদযুক্ত আৰু কাৰ্বনিক এচিডৰ লৱনযুক্ত পানীয়, প্ৰসংস্কৰিত খাদ্য-সামগ্ৰী, কপাহ আৰু কপাহী সূতাৰ অৱশিষ্ট, প্লাষ্টিক আৰু পি ভি চিৰে নিৰ্মাণ কৰা সামগ্ৰী আৰু কাঠৰ আচবাবৰ আমদানীৰ ক্ষেত্ৰতো নিষেধাজ্ঞা প্ৰযোজ্য হ'ব। এই সামগ্ৰীসমূহৰ অসম, মেঘালয়, ত্ৰিপুৰা, মিজোৰামৰ যিকোনো ভূ-সীমা শুল্ক কেন্দ্ৰ অথবা সংহত পহৰা চকীৰ লগতে পশ্চিম বংগৰ সংগৰ বান্ধ আৰু ফুলবাৰী পহৰা চকী হৈ আমদানিৰ অনুমতি দিয়া হ'ব। বাংলাদেশৰ পৰা মাছ, খোৱাতেল, ৰন্ধনগেছ আৰু শিলৰ আমদানিৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ক তেওঁৰ ওপজা দিনৰ শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমত দিয়া পোষ্টত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে উপৰাষ্ট্ৰপতিৰ সুস্বাস্থ্য কামনা কৰে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত কয় যে পূৰ্বে এগৰাকী সফল অধিবক্তা হিচাপে জনাজাত শ্ৰীধনখড়ৰ সংবিধানৰ বিশদ জ্ঞান আছে। তেওঁ কয় যে উপৰাষ্ট্ৰপতি তথা উচ্চ সদনৰ অধ্যক্ষ শ্ৰীধনখড়ে সদনৰ কাম-কাজ সুচাৰুৰূপে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত প্ৰশংসনীয় ভূমিকা পালন কৰিছে। প্ৰধানমন্ত্ৰী লগতে কয় যে শ্ৰীধনখড়ে সমাজৰ প্ৰতি সেৱা আগবঢ়োৱাৰ বাবে সদায় প্ৰয়াস কৰি আহিছে। তেওঁ শ্ৰীধনখড়ৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী এইচ ডি দেবগৌড়াক জন্মদিনৰ শুভেচ্ছা জনায়। সামাজিক মাধ্যমত দিয়া পোষ্টত শ্ৰীমোদীয়ে কয় যে সমাজৰ বাবে আগবঢ়োৱা সেৱাৰ মনোভাৱৰ বাবে শ্ৰীদেবগৌড়াক সকলোৱে সন্মান কৰে। তেওঁ কয় যে বিভিন্ন বিষয়ৰ ক্ষেত্ৰত থকা শ্ৰীদেবগৌড়াৰ জ্ঞান আৰু অন্তৰ্দৃষ্টি শক্তিৰ উৎস। প্ৰধানমন্ত্ৰীয়ে ৯২ বছৰত ভৰি দিয়া দেবগৌড়াৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা-ইছৰোৱে আজি অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ পৰা উৎক্ষেপন কৰা পৃথিৱী নিৰীক্ষণ উপগ্ৰহ-ই অ' এছ 09 নিৰ্দিষ্ট কক্ষপথত স্থাপন কৰোৱাত ব্যৰ্থ হয়। ইছৰোৰ অধ্যক্ষ ড০ ভি নাৰায়ণনে কয়, যে উপগ্ৰহটোৱে প্ৰথম আৰু দ্বিতীয় স্তৰ সফলবাৰে পাৰ কৰে যদিও তৃতীয় স্তৰত দেখা দিয়া কাৰিকৰী বিজুতিৰ বাবে এই অভিযান সফল নহল।

০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে প্ৰাথমিক কৃষি ঋণ ছোছাইটিসমূহৰ অৰ্থনৈতিক সংস্কাৰৰ নতুন নীতিৰ পৰিকল্পনা ঘোষণা কৰিছে। গুজৰাট ৰাজ্যিক সমবায় সংঘই আহমেদাবাদত আয়োজন কৰা সমবায় সন্মিলনত ভাষণ দি শ্ৰীশ্বাহে এই কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰাথমিক কৃষি ঋণ ছোছাইটি সংস্কাৰ সাধন কৰি দেশত সমবায় আন্তঃগাথনি শক্তিশালী কৰাৰ ক্ষেত্ৰত থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাত গুৰুত্ব আৰোপ কৰে। তেওঁ ২০২৯

চনৰ ভিতৰত দেশৰ প্ৰতিখন পঞ্চায়তে এনে ছোছাইটি স্থাপন কৰাৰ বাবে থকা চৰকাৰৰ পৰিকল্পনাৰ বিষয়েও উল্লেখ কৰে। এই সন্মিলনত ৰাজ্যৰ ৮০০ খন সমবায়ৰ ৪ হাজাৰতকৈও অধিক সমবায় প্ৰতিনিধিয়ে ভাগ লব।

০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা-ইছৰোৱে আজি অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ পৰা উৎক্ষেপন কৰা পৃথিৱী নিৰীক্ষণ উপগ্ৰহ-ই অ' এছ 09 নিৰ্দিষ্ট কক্ষপথত স্থাপন কৰোৱাত ব্যৰ্থ হয়। ইছৰোৰ অধ্যক্ষ ড০ ভি নাৰায়ণনে কয়, যে উপগ্ৰহটোৱে প্ৰথম আৰু দ্বিতীয় স্তৰ সফলবাৱে পাৰ কৰে যদিও তৃতীয় স্তৰত দেখা দিয়া কাৰিকৰী বিজুতিৰ বাবে এই অভিযান সফল নহল।

০০০০

আই পি এল টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ডেলহী কেপিটেলছে-গুজৰাট টাইটানছৰ বিৰুদ্ধে খেলিব।

০০০০

সমাপ্ত